## 3 (Sem–1/CBCS) ASM HC1

## 2020

( Held in April–May, 2021 )

ASSAMESE

( Honours )

Paper : ASM–HC–1016

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) কোনে প্ৰথমে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগ-বিভাজন কৰিছিল ?

(খ) নেপালৰ ৰাজ দৰবাৰত প্ৰাপ্ত চৰ্যাগীতৰ পুথিখনৰ নাম কি ?

(গ) ৰামাই পণ্ডিতৰ ‘শূন্য পুৰাণ’ত কোন দেৱতাৰ কথা আছে ?

(ঘ) মহামাণিক্যৰ অনুৰোধত কোনে ‘ৰামায়ণ’ অসমীয়ালৈ ভাঙনি কৰিছিল ?

(ঙ) ‘লৱ কুশৰ যুদ্ধ’ কাব্যৰ আধাৰগ্ৰন্থ কি ?





(চ) ‘‘অসমীয়া সাহিত্যৰ প্ৰকৃত ইতিহাস আৰম্ভ হৈছে বৌদ্ধ গান বা দোহাৰ পৰাহে।’’ এয়া কোনগৰাকী সাহিত্যৰ ইতিহাস-প্ৰণেতাৰ উক্তি ?

(ছ) শংকৰদেৱৰ প্ৰথম বৰগীত কোনটো ?

(জ) মাধৱদেৱৰ কোনখন নাটকক ‘ঝুমুৰা’ বোলা নহয় ?

(ঝ) ভট্টদেৱৰ প্ৰকৃত নাম কি ?

(ঞ) কোনগৰাকী সাহিত্য-বুৰঞ্জী-প্ৰণেতাই ডাকৰ উদ্ভৱ কাল খৃষ্টীয় চতুৰ্থ-ষষ্ঠ শতিকা বুলি মন্তব্য কৰিছে ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) ‘অসমীয়া সাহিত্যৰ ৰূপৰেখা’ গ্ৰন্থখনৰ লেখক কোন ? গ্ৰন্থখন কেতিয়া প্ৰকাশ পাইছিল ?

(খ) ‘শ্ৰীকৃষ্ণ-কীৰ্তন’ গ্ৰন্থৰ ৰচক আৰু উদ্ধাৰকৰ্তাৰ নাম লিখা।

(গ) ‘হৰ গৌৰী সম্বাদ’ পুথিত কেইটা অধ্যায় আৰু পদ আছে ?

(ঘ) শংকৰদেৱৰ প্ৰথম কাব্য কি ? কাব্যখনৰ আধাৰগ্ৰন্থ কি আছিল ?

(ঙ) ভাগৱত ব্যুৎপত্তি আৰু শাস্ত্ৰ ব্যাখ্যাৰ অসাধাৰণ ক্ষমতাৰ বাবে ভট্টদেৱে কোন দুটা উপাধি লাভ কৰিছিল ?

৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) মহেশ্বৰ নেওগে ‘প্ৰাক্ শংকৰ যুগ’ৰ অসমীয়া সাহিত্যৰ আলোচনা কিদৰে কৰিছে, চমুকৈ লিখা।

(খ) অসমীয়া সাহিত্যৰ বুৰঞ্জীত ‘শূন্য পুৰাণ’ৰ গুৰুত্ব বিচাৰ কৰা।

(গ) হৰিবৰ বিপ্ৰৰ ‘যুদ্ধ কাব্যৰ বিশেষত্ব’ নিৰূপণ কৰা।

(ঘ) হেম সৰস্বতীৰ কাব্য-প্ৰতিভা সম্পৰ্কে চমুকৈ লিখা।

(ঙ) মাধৱদেৱৰ বৰগীত সম্পৰ্কে এটি চমু টোকা প্ৰস্তুত কৰা।

(চ) পাঁচালী সাহিত্যৰ বৈশিষ্ট্য সম্পৰ্কে লিখা।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) ‘‘মাধৱ কন্দলি আছিল মনোৰম কথক।’’ মহেশ্বৰ নেওগৰ এই মন্তব্যৰ আধাৰত মাধৱ কন্দলিৰ কাব্য-প্ৰতিভা বিচাৰ কৰা।

(খ) সত্যেন্দ্ৰনাথ শৰ্মাকৃত অসমীয়া সাহিত্যৰ যুগ-বিভাজন সম্পৰ্কে এটি নিৰন্ধ যুগুত কৰা।

(গ) অসমীয়া সাহিত্যৰ বুৰঞ্জীত চৰ্যাপদৰ আলোচনা কিয় হ’ব লাগে? তোমাৰ মতামত আগবঢ়োৱা।

(ঘ) শংকৰী যুগৰ সাধাৰণ বৈশিষ্ট্য বিচাৰ কৰা।

(ঙ) শংকৰদেৱৰ অংকীয়া নাট সম্বন্ধে এটি আলোচনা আগবঢ়োৱা।

(চ) সুকবি নাৰায়ণদেৱৰ ‘পদ্মাপুৰাণ’ৰ ভাষা আৰু কাব্যৰস সম্পৰ্কে বিৱৰণ দিয়া।

(ছ) প্ৰাক্ শংকৰী যুগৰ সাহিত্যতকৈ শংকৰী যুগৰ সাহিত্য কিদৰে পৃথক আৰু প্ৰসাৰিত হৈছিল, বিচাৰ কৰা।

★★★

3 (Sem–1/CBCS) ASM HC 2

**2020**

( Held in April–May, 2021 )

ASSAMESE

( Honours )

Paper : ASM–HC–1026

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। **এটা** বা **দুটা** শব্দত উত্তৰ দিয়া : ১×১০=১০

(ক) কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যই কোনগৰাকী ধৰ্মপ্ৰচাৰকৰ শৰণ লৈছিল ?

(খ) শংকৰদেৱৰ ‘কীৰ্তন’ পুথি কোনে সংকলন কৰিছিল ?

(গ) সুকুমাৰ বৰকাথৰ অমৰ সাহিত্য-কৃতি কোনখন ?

(ঘ) ৰঘুনাথ মহন্তৰ যি কোনো এটি সাহিত্য-কৃতিৰ নাম উল্লেখ কৰা।

(ঙ) ‘দৰং ৰাজবংশাৱলী’ৰ ৰচক কোন ?

(চ) ‘অৰুণোদই’ কাকত কিমান চনলৈ চলিছিল ?





(ছ) বিশ্বেশ্বৰ বৈদ্যাধিপ কোন শতিকাৰ লোক ?

(জ) অসমীয়া ভাষাৰ প্ৰচলনৰ বাবে আনন্দৰাম ঢেকিয়াল ফুকনে কোনগৰাকী ইংৰাজ বিষয়াক লগ ধৰিছিল ?

(ঝ) নাথান ব্ৰাউন কোন চনত অসমলৈ আহিছিল ?

(ঞ) হেমচন্দ্ৰ বৰুৱাই সম্পাদনা কৰা কাকতখনৰ নাম কি আছিল ?

২। **দুটা** বা **তিনিটা** বাক্যত উত্তৰ দিয়া : ২×৫=১০

(ক) ভট্টদেৱৰ ‘কথা-ভাগৱত’ৰ দুটা ভাষাগত বৈশিষ্ট্য উল্লেখ কৰা।

(খ) গদ্যত ৰচিত দুখন চৰিত-পুথিৰ নাম লিখা।

(গ) গুণাভিৰাম বৰুৱাৰ ‘আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত্ৰ’ সন্দৰ্ভত এটা টোকা লিখা।

(ঘ) ‘অৰুণোদই’ যুগৰ যি কোনো দুখন অধুনালুপ্ত আলোচনীৰ নাম উল্লেখ কৰা।

(ঙ) ‘অৰুণোদই’ যুগৰ দুগৰাকী খৃষ্টানধৰ্মী লেখকৰ নাম উল্লেখ কৰা।

৩। চমু টোকা লিখা (যি কোনো **চাৰিটা**) : ৫×৪=২০

(ক) চৰিত-সাহিত্য

(খ) বুৰঞ্জী সাহিত্যৰ শ্ৰেণীবিভাজন

(গ) মণিৰাম দেৱানৰ সাহিত্যকৃতি

(ঘ) কাশীনাথ তামুলীফুকন

(ঙ) অসমীয়া ভাষাৰ বিকাশলৈ নাথান ব্ৰাউনৰ অৰিহণা

(চ) হেমচন্দ্ৰ বৰুৱাৰ 'আত্মজীবন চৰিত'

৪। ৰচনাধৰ্মী উত্তৰ দিয়া (যি কোনো **চাৰিটা**) : ১০×৪=৪০

(ক) উত্তৰ-শংকৰী যুগৰ ঐতিহাসিক পটভূমিয়ে সাহিত্য সৃষ্টিত কিদৰে প্ৰভাৱ পেলাইছিল, আলোচনা কৰা।

(খ) উত্তৰ-শংকৰী যুগৰ সাহিত্যৰ গতি-প্ৰকৃতি সম্বন্ধে এটা প্ৰবন্ধ প্ৰস্তুত কৰা।

(গ) চৰিত সাহিত্য আৰু বুৰঞ্জী সাহিত্যৰ ভাষাগত পাৰ্থক্য প্ৰদৰ্শন কৰা।

(ঘ) উত্তৰ-শংকৰী যুগৰ ব্যৱহাৰিক সাহিত্য সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

(ঙ) 'অৰুণোদই' কাকতে অসমীয়া ভাষাৰ বিকাশলৈ কিদৰে বৰঙণি যোগাইছিল, দেখুওৱা।

(চ) বিষয়বস্তু-ৰচনাৰীতিৰ ক্ষেত্ৰত অৰুণোদই যুগৰ সাহিত্য কিদৰে উত্তৰ-শংকৰী যুগৰ সাহিত্যতকৈ পৃথক হৈ পৰিছিল? আলোচনা কৰা।

(ছ) আনন্দৰাম ঢেকিয়াল ফুকনৰ সাহিত্য-দৃষ্টিক ইংৰাজী শিক্ষাই কিদৰে প্ৰভাৱিত কৰিছিল, দেখুওৱা।

(জ) কাশীনাথ তামুলীফুকনৰ বুৰঞ্জী সন্দৰ্ভত এটা প্ৰবন্ধ লিখা।

★★★